# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি মহানগৰীৰ আদাবাৰীত থকা অটল উদ্যানত আধুনিক ভাৰতৰ ৰূপকাৰ, ভাৰত ৰত্ন সন্মানেৰে বিভূষিত, অসম হিতৈশী প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ প্ৰতিমূৰ্তি আনুষ্ঠানিকভাৱে উন্মোচন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে অটল উদ্যান চৌহদত থকা ভাৰতৰত্নগৰাকীৰ সমৃদ্ধ জীৱন আৰু কীৰ্তি বিষয়ক এখন প্ৰদৰ্শনীও উদ্বোধন কৰে। ভাৰতীয় জনতা পাৰ্টী, অসম প্ৰদেশে প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি আয়োজন কৰা সুশাসন দিৱসত মুখ্যমন্ত্ৰীগৰাকীয়ে অটল বিহাৰী বাজপেয়ীক শ্ৰদ্ধাৰে সোঁৱৰে। এগৰাকী ৰাজনৈতিক কৰ্মী, ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ এগৰাকী প্ৰচাৰক, জনসংঘৰ কাৰ্যকৰ্তা আৰু সভাপতি, ভাৰতীয় জনতা পাৰ্টীৰ এগৰাকী কাৰ্যকৰ্তা তথা ৰাষ্ট্ৰীয় সভাপতি আৰু দেশৰ প্ৰধানমন্ত্ৰী হিচাপে অটল বিহাৰী বাজপেয়ীয়ে ভাৰতক সমৃদ্ধ কৰিছিল বুলিও মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণ প্ৰসংগত মন্তব্য কৰে। আজিৰ অনুষ্ঠানত বিজেপি অসম প্ৰদেশৰ সভাপতি ভবেশ কলিতা, অসম প্ৰদেশৰ প্ৰভাৰী হৰিশ ত্ৰিবেদী, ৰাজ্যিক সাংগঠনিক সম্পাদক ৰবীন্দ্ৰ ৰাজু, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, অশোক সিংহাল, ডাঃ ৰণোজ পেগু, নন্দিতা গাৰ্লোচা, ৰূপেশ গোৱালা, বিধায়ক দিপলুৰঞ্জন শৰ্মা, সাংসদ বিজুলী কলিতা মেধী, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া তথা মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ অধ্যক্ষ নাৰায়ণ ডেকা প্ৰমুখ্যে দলৰ বহু কাৰ্যকৰ্তা উপস্থিত থাকে।

ooooo

মণিপুৰ, মিজোৰাম, ওড়িশা, বিহাৰ আৰু কেৰালাত নতুন ৰাজ্যপাল নিযুক্তি দিয়া হৈছে। কালি ৰাষ্ট্ৰপতি ভৱনৰ পৰা জাৰি কৰা অধিসূচনা কৰা অনুসৰি অজয় কুমাৰ ভাল্লাক মণিপুৰৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে আৰু প্ৰাক্তন স্থলাসেনাধ্যক্ষ তথা কেন্দ্ৰীয় মন্ত্ৰী অৱসৰপ্ৰাপ্ত জেনেৰেল ভি কে সিঙক মিজোৰামৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। মিজোৰামৰ বৰ্তমানৰ ৰাজ্যপাল ড° হৰিবাবু কাম্ভমপতিক ওড়িশাৰ নতুন ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। বিহাৰৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰক কেৰালাৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে।

উল্লেখযোগ্য যে ভাৰতীয় প্ৰশাসনিক সেৱাৰ অসম-মেঘালয় কেডাৰৰ বিষয়া হিচাপে কৰ্মজীৱন আৰম্ভ কৰা অজয় কুমাৰ ভাল্লাই আৰু অসম চৰকাৰৰ বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰি ৰাজ্যৰ গৃহ সচিব হিচাপেও দায়িত্ব নিৰ্বাহ কৰিছিল। ইয়াৰ পাছত তেওঁ কেন্দ্ৰীয় চৰকাৰৰ ডেপুটেশ্বন লাভ কৰে আৰু এই বছৰ আগষ্টত তেওঁ কেন্দ্ৰীয় গৃহ সচিবৰূপে অৱসৰ গ্ৰহণ কৰে।

ooooo

শুৱালকুছিৰ অগ্ৰণী সাহিত্য গোষ্ঠী শুৱালকুছি সেউজী চ'ৰাৰ ৩৫ সংখ্যক বাৰ্ষিক সভা আজি দিনযোৰা কাৰ্যসূচীৰে অঞ্চলটোৰ গান্ধী আশ্ৰমত অনুষ্ঠিত হয়। সভাপতি হেমেন পাঠকে পতাকা উত্তোলনেৰে আৰম্ভ কৰা সভাত ৰামেশ্বৰ দাসে বন্তি প্ৰজ্বলন কৰে। দিন অনুষ্ঠিত মুকলি সভাত দিপাংকৰ শৰ্মাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠানত ঋতম পুথিভঁড়ালৰ সঞ্চালক বিকাশ কলিতাইও অংশগ্ৰহণ কৰে। শুৱালকুছি তথা নিকততম অঞ্চলৰ ৭২ গৰাকী কবিয়ে অংশগ্ৰহণ কৰা কবি সন্মিলন শুৱালকুছি বুদৰাম মাধৱ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ বিজয় কৃষ্ণ দলেই সঞ্চালনা কৰে। প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ সহযোগী অধ্যাপক ড০ পৰশমণি দাসে দুখন কাব্য গ্ৰন্থ উন্মোচন কৰে। ইফালে আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা অসমৰ গ্ৰন্থাগাৰিক ড০ ৰিদিপজ্যোতি কলিতাই আন এখন কাব্যগ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানত বহু লোক উপস্থিত থকাৰ লগতে শিল্পী কনকলতা দাস আৰু শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ নিহাৰ ৰঞ্জন কলিতাও উপস্থিত থাকে।

ooooo

শিৱসাগৰ জিলাৰ পানীদিহিং পক্ষী অভয়াৰণ্যত এইবাৰ প্ৰথমবাৰৰ বাবে পানীদিহিং মহোৎসৱ অনুষ্ঠিত হৈছে। আজি পুৱা পক্ষী নিৰীক্ষণেৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। স্থানীয় কেইগৰাকীমান উদ্যমী যুৱকৰ প্ৰচেষ্টাত বিবিধ থলুৱা আৰু পৰিভ্ৰমী পক্ষীৰ আগমন ঘটা পানীদিহিং পক্ষী অভয়াৰণ্যক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াসৰ অংশ হিচাপে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। বিভিন্ন প্ৰান্তৰ প্ৰকৃতি প্ৰেমীসকলে অভয়াৰণ্যখনৰ সুন্দৰ প্ৰাকৃতিক পৰিৱেশত পক্ষী নিৰীক্ষণকে ধৰি কেন্‌ভাছ পেইণ্টিং আদি কাৰ্যসূচীত অংশ লৈছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ইংৰাজী ২০২৪ বৰ্ষৰ সমাপ্তি উপলক্ষে কেইটামান বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি অহা ২৮ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সমাজৰ নিঃস্ব, আৰ্তজন আৰু অমাতৰ হৈ নীৰৱে কাম কৰি যোৱা তিনিগৰাকী ব্যক্তিৰ বছৰটোৰ সামৰণিৰ উপলব্ধি প্ৰচাৰ কৰা হ'ব। ৩১ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দেশ-বিদেশৰ ৰাজনীতি-সমাজনীতি, ক্ৰীড়া, সংস্কৃতি, সাহিত্য জগতৰ উল্লেখযোগ্য ঘটনাৱলীৰ বছৰজোৰা আলোকপাতৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ ষ্টুডিঅ'ত সাংবাদিক, চলচ্চিত্ৰ সমালোচক আৰু ৰাজনৈতিক পৰ্যবেক্ষক উপস্থিত থাকি বছৰটোৰ উল্লেখযোগ্য ঘটনাৱলীৰ পৰ্যালোচনা আগবঢ়াব।

০০০০০

সমাপ্ত